# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 29-06-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। স্বাস্থ্যখণ্ডৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা পৰ্যন্ত সকলো দিশতে ভাৰতবৰ্ষই সম্প্ৰতি পৰিপূৰ্ণতা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত মত প্ৰকাশ কৰে।

২। অসমৰ বড়োলেণ্ডৰ ফুটবলৰ ক্ষেত্ৰখনক ভূয়সী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কেইবাগৰাকীও আগশাৰীৰ ফুটবল খেলুৱৈৰ নাম উল্লেখেৰে কয় যে এই অঞ্চলটো সম্প্ৰতি দেশত নতুন পৰিচয়েৰে উদ্ভাসিত হৈ পৰিছে।

৩। উত্তৰাখণ্ডত হোৱা প্ৰচণ্ড বৰষুণৰ সতৰ্কবাণীৰ প্ৰতি লক্ষ্য ৰাখি ২৪ ঘণ্টাৰ বাবে চাৰধাম যাত্ৰা কাৰ্যসূচী বাতিল কৰা হৈছে। ***আৰু***

৪। ভাৰতৰ উদিয়মান খেলুৱৈ টনভি শৰ্মাই আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

স্বাস্থ্যখণ্ডৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা পৰ্যন্ত সকলো দিশতে ভাৰতবৰ্ষই সম্প্ৰতি পৰিপূৰ্ণতা লাভ কৰিছে আৰু এয়া সামাজিক সুৰক্ষাৰ অন্যতম দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি এইদৰে মত ব্যক্ত কৰে। আন্তৰ্ৰাষ্ট্ৰীয় শ্ৰম সংগঠন আই এল অ'ৰ প্ৰতিবেদনৰ উদ্ধৃতিৰে তেওঁ ভাৰতত সামাজিক সুৰক্ষা আঁচনিৰ সফল ৰূপায়ণৰ  বিষয়ে ব্যাখ্যা কৰে।

দেশৰ ৬৪ শতাংশতকৈও অধিক লোক সম্প্ৰতি সামাজিক সুৰক্ষা আঁচনিৰ জৰিয়তে উপকৃত হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে  ২০১৫ চনলৈকে ২৫ কোটিতকৈও কম সংখ্যক লোক এনে আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ বিপৰীতে সম্প্ৰতি প্ৰায় ৯৫ কোটি লোকে এই আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ তথ্য সদৰি কৰে।

অসমৰ বড়োলেণ্ডৰ ফুটবলৰ ক্ষেত্ৰখনক ভূয়সী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অঞ্চলটো সম্প্ৰতি নতুন পৰিচয়েৰে উদ্ভাসিত হৈ পৰিছে। এই অঞ্চলটোৰ যুৱচামে ফুটবলৰ পথাৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা বুলি মত প্ৰকাশ কৰি প্ৰসংগক্ৰমে তেওঁ হলীচৰণ নাৰ্জাৰী, দুৰ্গা বড়ো, অপূৰ্ণা নাৰ্জাৰী, মনবীৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও আগশাৰীৰ ফুটবল খেলুৱৈৰ নামো উল্লেখ কৰে। বিটিআৰ এলেকাত আয়োজন কৰা বড়োলেণ্ড চি ই এম কাপ প্ৰতিযোগিতাক ঐক্য আৰু আশাৰ উদ্‌যাপন বুলি অভিহিত কৰি তেওঁ কয় যে এই প্ৰতিযোগিতাত ৩ হাজাৰ ৭০০ টা দলৰ প্ৰায় ৭০ হাজাৰ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰীসকলৰ মাজত বৃহৎ

সংখ্যক মহিলা খেলুৱৈও থকাৰ বিষয়ে উল্লেখ কৰি এই প্ৰতিযোগিতাত তেওঁ বড়োলেণ্ডৰ বৃহৎ পৰিৱৰ্তন বুলি আখ্যা দিয়ে। দেশৰ ক্ৰীড়া মানচিত্ৰত বড়োলেণ্ড অঞ্চলটো দ্ৰুত গতিত উদ্ভাসিত হৈ আহিছে বুলিও শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

ভাৰতৰ আঞ্চলিক ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনে বৈচিত্ৰ্যই দেশক বিশেষ পৰিচয় প্ৰদান কৰা বুলি মত প্ৰকাশ কৰে। মেঘালয়ৰ এৰী সূতাই জি আই টেগ লাভ কৰাৰ প্ৰসংগত তেওঁ কয় যে এৰী কাপোৰৰ চাহিদা বিশ্বত দ্ৰুত গতিত বৃদ্ধি পাইছে। পলু নিধন নকৰাকৈ অহিংস পদ্ধতিৰে উৎপাদন কৰা এইবিধ সামগ্ৰী বিশ্বৰ পৰিৱৰ্তিত পৰিস্থিতিৰ ক্ষেত্ৰত অনুকুল হিচাপে তথা গ্ৰীষ্ম আৰু শীত উভয় পৰিবেশতে সকলোৰে বাবে গ্ৰহণযোগ্য সামগ্ৰী হিচাপে পৰিচিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

দৃষ্টিশক্তিৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি ভাবুকিৰ সৃষ্টি কৰি অহা ট্ৰ'ক'মা ৰোগৰ বিষয়টোৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ, সম্প্ৰতি বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতবৰ্ষক ট্ৰ'ক'মামুক্ত দেশ হিচাপে ঘোষণা কৰাটোক বিশেষ সফলতা বুলি অভিহিত কৰে। এই সফলতাক তেওঁ ট্ৰ'ক'মা ৰোগৰ বিৰুদ্ধে অবিৰতভাবে যুঁজ দি অহা লাখ লাখ লোকৰ কষ্ট আৰু পৰিশ্ৰমৰ সুফল বুলি আখ্যা দিয়ে। এই প্ৰসংগত তেওঁ স্বচ্ছ ভাৰত অভিযান আৰু জলজীৱন মিছনৰ সফলতাৰ বিষয়েও উল্লেখ কৰে।

জৰুৰীকালিন অৱস্থাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে দেশত উদ্ভৱ হোৱা গুৰুতৰ সংকটৰ সন্মুখীন হৈ ইয়াক প্ৰতিহত কৰাৰ বাবে জনসাধাৰণৰ শক্তিৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। জৰুৰীকালিন অৱস্থা আৰোপ কৰাসকলে দেশৰ সংবিধানক হত্যা কৰাই কেৱল নহয় ন্যায়পালিকাক নিজৰ দাস হিচাপে ব্যৱহাৰ কৰাৰ চক্ৰান্ত কৰিছিল বুলি মত প্ৰকাশ কৰা তেওঁ কয়, যে বাক্ স্বাধীনতা হৰণ কৰি দেশৰ বহু লোকক আন কি ছাত্ৰ-ছাত্ৰীকো ইয়াৰ জৰিয়তে হাৰাশাস্তি কৰা হৈছিল। কেইদিনমান পূৰ্বে দেশে জৰুৰীকালিন অৱস্থাৰ ৫০ বছৰ পূৰ কৰাৰ সৈতে সংগতি ৰাখি দেশবাসীয়ে সংবিধান হত্যা দিৱস পালন কৰাৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। এই প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে তেনে প্ৰতিকুল পৰিস্থিতিৰ সৈতে যুঁজ দি দেশৰ সংবিধানখনক সুৰক্ষিত কৰি ৰখাৰ প্ৰতি বৰঙণি আগবঢ়োৱা নেতৃবৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

মন কী বাত অনুষ্ঠানত যোৱা ২১ জুনত পালন কৰা আন্তৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে সমগ্ৰ দেশৰ লগতে বিশ্বৰ আন আন দেশতো কোটি কোটি লোকে আগ্ৰহেৰে এই দিৱস পালন কৰে। একেদৰে কৈলাশ মান সৰোবৰ যাত্ৰা, অমৰনাথ যাত্ৰা আৰু জগন্নাথ ৰথযাত্ৰাৰ প্ৰসংগ উল্লেখ কৰি এনে তীৰ্থযাত্ৰাসমূহক এক ভাৰত শ্ৰেষ্ঠ ভাৰত মন্ত্ৰৰ প্ৰতিফলন আখ্যা দি তেওঁ কয় যে এনে কাৰ্যসূচীসমূহে মানসিক শক্তি আৰু সেৱাৰ সুযোগ প্ৰদান কৰে। তীৰ্থযাত্ৰাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰা লোকসকলৰ লগতে তীৰ্থযাত্ৰীসকলৰ প্ৰতি বিভিন্ন ধৰণে সেৱা আগবঢ়োৱা অগণন লোকৰ নিস্বাৰ্থ ভূমিকাৰ বিষয়েও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

মহিলাৰ নেতৃত্বত হোৱা উন্নয়নৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এনে উন্নয়নমূলক পদক্ষেপৰ জৰিয়তে দেশৰ মহিলাসকলে কেৱল নিজৰ বাবেই নহয় সমগ্ৰ সমাজখনৰ বাবে নতুন গতি আনিবলৈ সমৰ্থ হৈছে। এই প্ৰসংগত তেওঁ তেলেংগানাৰ ভদ্ৰাচলমৰ মহিলা শ্ৰমিক সকলৰ সাফল্যৰ লগতে মধ্যপ্ৰদেশৰ ছুমা উইকে নামৰ মহিলা এগৰাকীয়ে কাঠফুলা খেতিৰ পৰা আৰম্ভ কৰি পৰ্যায়ক্ৰমে প্ৰদৰ্শন কৰা উত্তৰণৰ উদাহৰণ দাঙি ধৰে।

যোৱা মাহত ভগৱান বুদ্ধৰ পবিত্ৰ অৱশিষ্ট জনসাধাৰণৰ দৰ্শনৰ বাবে ভাৰতৰ পৰা ভিয়েটনামলৈ নিয়াৰ ফলত দেশখনৰ বুদ্ধধৰ্মী লোকসকলে লাভ কৰা প্ৰশান্তিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত ভিয়েটনামৰ ১০

কোটি লোকৰ মাজৰ ডেৰ কোটিতকৈও অধিক লোক এই অৱশিষ্টৰ দৰ্শন লাভ কৰি আপ্লুত হৈ পৰিছে। ভিয়েটনামত ৰাষ্ট্ৰীয় উৎসৱ হিচাপে পৰিগণিত হোৱা এই অনুষ্ঠানত ভাগ লোৱা বহু লোকে ভাৰতৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

এই মাহত পালন কৰা বিশ্ব পৰিৱেশ সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে পুনেৰ ৰমেশ খৰমালে আৰু তেওঁৰ পৰিয়ালে মাত্ৰ দুমাহতে জুন্নাৰ পাহাৰত ৭০টা খাদ খান্দি পানী সংৰক্ষণ কৰি বীজ সিঁচিছিল। তেওঁ কয় যে শ্ৰী খৰমালে শ শ গছ ৰোপন কৰি অক্সিজেন উদ্যান নিৰ্মাণ কৰিছে । ইয়ালৈ চৰাইবোৰ আহিবলৈ আৰম্ভ কৰিছে আৰু বন্যপ্ৰাণীবোৰে নৱ জীৱন লাভ কৰিছে । প্ৰধান মন্ত্ৰীগৰাকীয়ে আহমেদাবাদ পৌৰ নিগমৰ "দহ লাখ গছ ৰোপন" অভিযানৰ বিষয়ে উল্লেখ কৰি কয় যে ইয়াত লাখ লাখ গছ ৰোপণৰ লক্ষ্য লোৱা হৈছে। এই অভিযানৰ অন্তৰ্গত সিন্দুৰবন অৰণ্য, অপাৰেচন সিন্দুৰৰ সাহসী যোদ্ধাসকলৰ বাবে উৎসৰ্গিত। তেওঁ লগতে কয় যে "মাৰ নামত এজোপা গছ অভিযান"ৰ অধীনত দেশত কোটি কোটি গছপুলি ৰোপণ কৰা হৈছে। সৰু সৰু অভ্যাসবোৰ যেতিয়া সামূহিক সংকল্প হৈ পৰে তেতিয়াই ডাঙৰ পৰিৱৰ্তন নিশ্চিত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজী নগৰ জিলাৰ পাটোড়া গাঁও পঞ্চায়তৰ কথা উল্লেখ কৰে । এই গাঁও পঞ্চায়তখন "কাৰ্বন নিউট্ৰেল গাঁও পঞ্চায়ত" । ইয়াৰ প্ৰতিখন ঘৰৰ পৰা জাৱৰ সংগ্ৰহৰ সম্পূৰ্ণ ব্যৱস্থা আছে, লেতেৰা পানী পৰিশোধন কৰা হয় আৰু কোনো পানী পৰিষ্কাৰ নকৰাকৈ নদীলৈ যাবলৈ দিয়া নহয় ।

০০০০

উত্তৰাখণ্ডত হোৱা প্ৰচণ্ড বৰষুণৰ সতৰ্কবাণীৰ প্ৰতি লক্ষ্য ৰাখি ২৪ ঘণ্টাৰ বাবে চাৰ ধাম যাত্ৰা কাৰ্যসূচী স্থগিত ৰখা হৈছে। হৰিদ্বাৰ, ঋষিকেশ, শ্ৰীনগৰ, ৰুদ্ৰপ্ৰয়াগ, সোণপ্ৰয়াগ আৰু বিকাশনগৰত তীৰ্থযাত্ৰীসকলক ৰখাবলৈ আৰক্ষী আৰু প্ৰশাসনৰ বিষয়াক নিৰ্দেশ দিয়া হৈছে। ইপিনে উত্তৰাখণ্ডৰ উত্তৰ কাশি জিলাৰ চিলাইবেণ্ডৰ সমীপত আজি পুৱা হোৱা ডাৱৰ বিস্ফোৰনৰ ফলত ৯ জন শ্ৰমিক নিৰুদ্দেশ হৈ আছে।

০০০০

কলকাতা আইন মহাবিদ্যালয়ত হোৱা দলবদ্ধ ধৰ্ষণৰ গোচৰৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত আজি ড০ অৰ্চনা মজুমদাৰৰ নেতৃত্বত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ এটা দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। আইন মহাবিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীগৰাকীক কালি এই গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হয়। ইয়াকে লৈ মহাবিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীৰ

কক্ষৰ ভিতৰত হোৱা এই অপৰাধৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা চাৰিলৈ বৃদ্ধি পাইছে। দক্ষিণ কলকাতা আইন মহাবিদ্যালয়ৰ এগৰাকী ২৪ বছৰীয়া ছাত্ৰীক যোৱা ২৫ জুনত প্ৰতিষ্ঠানখনৰ নিৰাপত্তাৰক্ষীৰ কক্ষত এগৰাকী প্ৰাক্তন ছাত্ৰসহ তিনিগৰাকী শিক্ষাৰ্থীয়ে ধৰ্ষণ কৰা বুলি অভিযোগ উঠিছে। ছাত্ৰীগৰাকীৰ অভিযোগ মৰ্মে আৰক্ষীয়ে এই ঘটনাৰ মূল অভিযুক্ত মন'জিৎ মিশ্ৰ, প্ৰমিত মুখাৰ্জী আৰু জাইড আহমেদক গ্ৰেপ্তাৰ কৰিছে।

কলকাতা আৰক্ষীয়ে এই ঘটনাৰ তদন্ত কৰিবলৈ সহকাৰী আয়ুক্ত পৰ্যায়ৰ এগৰাকী বিষয়াৰ নেতৃত্বত এটি পাঁচজনীয়া বিশেষ তদন্ত দল গঠন কৰিছে। দলবদ্ধ ধৰ্ষণৰ প্ৰতিবাদত বিজেপিয়ে মহাবিদ্যালয়খনলৈ উলিওৱা সমদলত কালি আৰক্ষীয়ে বাধা প্ৰদান কৰাত আৰু দলৰ পশ্চিমবংগ গোটৰ মুৰব্বী সুকান্ত মজুমদাৰ আৰু কেইবাগৰাকীও নেতাক আটক কৰাৰ পাছত মহানগৰখনত উত্তেজনা বৃদ্ধি পাইছে। বিজেপিয়ে শিক্ষা প্ৰতিষ্ঠানৰ চৌহদৰ সুৰক্ষা সুনিশ্চিত কৰাত ৰাজ্য চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ তুলিছে আৰু দোষী সকলৰ বিৰুদ্ধে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিষয়টো চালি-জাৰি চোৱাৰ বাবে এখন চাৰিজনীয়া কমিটি গঠন কৰিছে। কমিটিখনে কলকাতালৈ গৈ ঘটনা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিব। বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই কমিটিখনত সাংসদ বিপ্লৱ কুমাৰ দেৱ, মনন কুমাৰ মিশ্ৰ আৰু প্ৰাপ্তন সাংসদ সত্যপাল সিং আৰু মিনাক্ষী লেখিক অন্তৰ্ভুক্ত কৰা বুলি প্ৰকাশ কৰিছে।

০০০০

ভাৰতৰ উদিয়মান খেলুৱৈ টনভি শৰ্মাই আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। পাঞ্জাবৰ হোচিয়াৰপুৰৰ ১৬ বছৰীয়া খেলুৱৈ গৰাকীয়ে যোৱা নিশা ইউক্ৰেইনৰ পোলিনা বৰহোৱাক ২১-১৪, ২১-১৬ গেমত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। টনভি আজি ফাইনেলত চীনৰ বিৱেন ঝাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে যোৱা নিশা ন'টিংহামৰ ট্ৰেন্ট ব্ৰিজত অনুষ্ঠিত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডক ৯৭ ৰানত পৰাস্ত কৰে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই ৬২ টা বলত ১১২ ৰান কৰে। আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটত এয়া মান্ধানাৰ প্ৰথমটো শতক। হৰলিন দেঅ'লে ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৪ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ নেট ছাইবাৰ ব্ৰণ্টে ৪২ টা বলত ৬৬ ৰান কৰে। ভাৰত শ্ৰী চৰনীয়ে ৪ টা উইকেট দখল কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০

সমাপ্ত